জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭১/২০২১

# বীৰ চাভাৰকাৰৰ জীৱন আৰু অৱদানৰ সম্বন্ধে প্ৰকাশ পোৱা গ্ৰন্থ সম্পৰ্কত হোৱা আলোচনাত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ভাৰতীয় সভ্যতা, সংস্কৃতিৰ মাৰ্গ দৰ্শনেৰে নতুন প্ৰজন্মক আগুৱাই নিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৪ ডিচেম্বৰ ঃ** আজি মাছখোৱাস্থিত প্ৰাগজ্যোতি আই টি এ সাংস্কৃতিক প্ৰকল্পত উদয় মহুৰকাৰ আৰু চিৰায়ু পণ্ডিতে লিখা 'দ্যা মেন হু কুদ হেভ প্ৰিভেণ্টেভ পাৰ্টিচন ঃ বীৰ চাভাৰকাৰ' শীৰ্ষক গ্ৰন্থ সম্পৰ্কত হোৱা এক আলোচনাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশ গ্ৰহণ কৰে।

আলোচনাত অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী সেনানী বীৰ চাভাৰকাৰৰ জীৱন আৰু দৰ্শন আলোকপাত কৰি লিখা গৱেষণামূলক গ্ৰন্থখনে পঢ়ুৱৈ সমাজক বহু নতুন দিশ জনাৰ সুযোগ প্ৰদান কৰিব। এই গ্ৰন্থখন ভাৰতীয় সংস্কৃতি আৰু ইতিহাসৰ বাবেও গুৰুত্বপূৰ্ণ হ'ব বুলি তেওঁ কয়। স্বাধীনতা সংগ্ৰামী বীৰ চাভাৰকাৰে ৰাষ্ট্ৰ গঠন আৰু স্বদেশ প্ৰেমৰ যি উৎকৃষ্ট নিদৰ্শন দেখুৱাই গৈছে তাৰ দ্বাৰা উঠি অহা প্ৰজন্মই প্ৰেৰণা লাভ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে বীৰ চাভাৰকাৰে নতুন ভাৰতৰ সপোন দেখিছিল। সমাজৰ পৰা অস্পৃশ্যতা আঁতৰ কৰা, সকলোৰে সম-মৰ্যাদা সুনিশ্চিত কৰা, দেশ বিভাজৰ বিৰোধিতা কৰা আদি তেখেতৰ আলোকসন্ধানী দিশসমূহে শক্তিশালী ৰাষ্ট্ৰ গঠনৰ দিশত সকলোকে অনুপ্ৰাণিত কৰি আহিছে। দেশক আগুৱাই নিব লাগিলে ৰাষ্ট্ৰভক্তি থাকিবই লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বীৰ চাভাৰকাৰৰ জীৱন আৰু দৰ্শনৰ মাজেৰে ৰাষ্ট্ৰভক্তিৰ দিশসমূহ প্ৰতিফলিত হয়।

ভাৰতীয় সংস্কৃতি আৰু ইতিহাসৰ বিষয়ে আমাৰ নতুন প্ৰজন্মক অৱগত কৰোৱাটো নিতান্তই প্ৰয়োজন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ পৰৱৰ্তী পৰ্যায়ত শৈক্ষিক ব্যৱস্থাটোৰ মাজত ভাৰতৰ মহান পুৰুষ তথা মহাপুৰুষসকলৰ কৰ্ম আৰু জীৱন দৰ্শন সঠিকৰূপত প্ৰতিফলিত কৰা হোৱা নাছিল। পাঠ্যক্ৰমত এই বিষয়সমূহ যথাৰ্থভাৱে গুৰুত্ব আৰোপ কৰা নাছিল বুলিও তেওঁ কয়। স্বামী বিবেকানন্দ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, লাচিত বৰফুকনৰ দৰে বীৰ পুৰুষ তথা মহাপুৰুষসকলক যি ভাৱে শৈক্ষিক ব্যৱস্থাটোৰ মাজত সামৰি ল'ব লাগিছিল তেনেদৰে লোৱা হোৱা নাছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাৰতীয় সংস্কৃতিক উত্তৰ-পূবলৈ আনি আমাৰ সংস্কৃতিৰ সৈতে সংশ্লেষণ কৰি ভাৰতবোধৰ উৎকৃষ্ট নিদৰ্শন দেখুৱাই গৈছে। অসমীয়া সংস্কৃতি আৰু ভাৰতীয় সংস্কৃতিৰ মহামিলন কৰি যি আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে সেই কথা আমি আমাৰ নতুন প্ৰজন্মক সঠিক ৰূপত অৱগত কৰিব লাগিব। ধৰ্ম সুকীয়া হ'ব পাৰে, কিন্তু ভাৰতীয় সংস্কৃতি আৰু ইতিহাসৰ কোনো সলনি হ'ব নোৱাৰে। সেইবাবে পাঁচ হাজাৰ বছৰীয়া ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ মাজেৰে আমি জীৱনৰ বাটত আগুৱাই যাব লাগিব বুলিও তেওঁ কয়।

হাবিব মহম্মদ চৌধুৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত গ্ৰন্থখনৰ লেখক উদয় মহুৰকাৰেও ভাষণ প্ৰদান কৰে।

**পুঃডেঃ**

০৪-১২-২০২১

Website: cm.assam.gov.in/assam.mygov.in
E-mail: cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in